# কেন্দ্ৰীয় বহি: পৰিক্ৰমা মন্ত্ৰী গৰাকীয়ে পাছপৰ্ট বিষয়া সকলৰ সন্মিলনৰ উদ্বোধন কৰে ।

জুন ২৪,২০১৪

১. কেন্দ্ৰীয় বহি:পৰিক্ৰমা মন্ত্ৰী শ্ৰীমতী সুষমা স্বৰাজে আজি জৱাহৰলাল নেহেৰু ভৱনত পাছপৰ্ট বিষয়া সকলৰ তিনিদিনীয়া কাৰ্য্যসূচীৰে এখন সন্মিলনৰ উদ্বোধন কৰে ।সন্মিলন খনত সাতত্ৰিশ গৰাকী পাছৰ্পট বিষয়াই অংশগ্ৰহন কৰে ।

২. পাছপৰ্ট আইন ১৯৬৭ প্ৰণয়ন হোৱাৰ দিন হিচাপে ২৪ জুন তাৰিখটো 'পাছপৰ্ট সেৱা দিৱস' হিচাপে পালন কৰাৰ উপলক্ষেও এই সন্মিলন অনুষ্ঠিত কৰা হয় । পাছপৰ্ট আৰু আন ভ্ৰমণ তথ্য প্ৰদান কৰাৰ বাবে এই আইন খনে এক স্থিৰ আইনী গাঁঠনি প্ৰস্তুত কৰিছে ।

৩. মন্ত্ৰী গৰাকীয়ে দেশৰ সকলো ৩৭ টা পাছপৰ্ট কাৰ্য্যলয় আৰু ৭৭ টা পাছপৰ্ট কেন্দ্ৰৰ সকলো বিষয়াই ব্যৱহাৰ কৰাৰ বাবে এটা 'পাছপৰ্ট সেৱা' লেপেল উদ্বোধন কৰে ।সতীৰ্থৰ সৈতে থাকি কাম কৰাৰ উদ্যম যোগুটোৱাৰ বাবে উৎসাহিত কৰিবলৈ আৰু ভাৰতীয় নাগৰিক সকলৰ বাবে সেৱা আগবঢ়াবলৈ কৰা অংগীকাৰক নৱীকৰণ কৰাটোৱেই হৈছে ইয়াৰ উদ্দেশ্য ।

৪. সভাত দিয়া ভাষণ প্ৰসংগত মন্ত্ৰী গৰাকীয়ে মন্তব্য কৰে যে পাছপৰ্ট সেৱা দিৱস পালন কৰাটো মাত্ৰ এক নিয়ম হৈ যাতে নৰয় ।তাৰ পৰিবৰ্তে ইয়াৰ দ্বাৰা যাতে আমাৰ ক্ষমতা আৰু দূৰ্বলতাক, সফলতা আৰু অসফলতাক চিনাক্ত কৰিবৰ বাবে এইয়া মাত্ৰ এক সুযোগ আৰু ভবিষ্যতৰ বাবে এই ব্যৱধান সমূহ নিশেষ কৰিবৰ বাবে ব্যৱস্থা গ্ৰহন কৰা উচিত ।

৫.  মন্ত্ৰী গৰাকীয়ে প্ৰকাশ কৰে যে চৰকাৰে নাগৰিকৰ প্ৰতি বন্ধুত্বভাৱাপন্ন প্ৰশাসনিয় পুনৰগঠন আৰু আঁচনি উত্থাপন কৰাৰ প্ৰস্তুতি গ্ৰহন কৰিছে যাতে জনসাধাৰনৰ মনত চৰকাৰী প্ৰনালীৰ প্ৰতি হেৰুৱা আস্থা  পুনৰ ঘূৰাই আহে আৰু ইয়াৰ জৰিয়তে জনসাধাৰনৰ জীৱনত এক পৰিবৰ্তনৰ স্পষ্ট প্ৰকাশ ঘটে । পাছপৰ্ট প্ৰস্তুত কৰা সংশ্লিষ্ট কৰ্তৃপক্ষৰ কাৰ্য্যলয়ৰ বিষয়া সকলৈ দৃঢ় আহ্বান জনাই মন্ত্ৰী গৰাকীয়ে কয় যে জনসাধাৰনক ‘সেৱা’ অৰ্থটো প্ৰকৃতাৰ্থত ব্যৱহাৰ কৰি সকলোকে পাছপৰ্ট প্ৰস্তুত কৰাৰ প্ৰক্ৰিয়া কালত যাতে আদৰ-সন্মান আৰু সহানুভূতিৰে ব্যৱহাৰ কৰে আৰু পাছপৰ্ট প্ৰস্তুত কৰাটো মাত্ৰ ৰুটিন কাৰ্য্য হিচাপে গ্ৰহন নকৰে ।কাৰন ‘সেৱা’ শব্দটো প্ৰতক্ষ্যভাৱে নিস্বাৰ্থ ভাৱে মানৱিয়তাৰ হকে কাৰ্য্য কৰাটো বুজাই ।সময়ানুযায়ি, সাৰ্থকতাৰে আৰু জবাবদিহি সেৱাৰে দায়িত্ব ৰূপায়নৰ জৰিয়তে ভাল প্ৰশাসনৰ বাবে মন্ত্ৰী গৰাকীয়ে সন্তোষ্টি প্ৰকাশ কৰে । এই প্ৰক্ৰিয়াৰ সকলো জটিলতাক আতৰায় সৰল সহজ ভাৱে প্ৰক্ৰিয়াটো আগুৱাই নিয়াৰ বাবে সকলো বুদ্ধিজীৱি অংশীদাৰ সকলৰ প্ৰতি সন্তোষ্টি প্ৰকাশ কৰে ।

৬. মন্ত্ৰী গৰাকীয়ে চেন্ট্ৰেল পাছপৰ্ট অৰগেনাইজেশ্বনৰ প্ৰণালীৰ পুনৰগঠন সম্পৰ্কে সন্তোষ্টি প্ৰকাশ কৰাৰ লগতে এই বিষয়ত আৰু অধিক উন্নত কৰাৰ থল আছে বুলি মন্তব্য কৰে ।পুনৰগঠনৰ এই প্ৰক্ৰিয়াই যাতে সাধাৰন জনসাধাৰনৰ কল্যান আৰু প্ৰয়োজনীয়তাৰ প্ৰতি গুৰুত্ব আৰোপ কৰে - লাইনৰ একেবাৰে শেষ ব্যক্তি গৰাকীৰ কল্যান আৰু তেওঁৰ প্ৰয়োজনীয়তাৰ প্ৰতিও দায়িত্ব পালন কৰাৰ বাবে মন্ত্ৰী গৰাকীয়ে আহ্বান জনায় ।  তাৰোপৰি আজিৰ এই তথ্যৰ যুগত সবাটোতকৈ প্ৰয়োজন হৈছে পাছপৰ্টৰ আবেদন কাৰী সকলক তেওঁলোকৰ আবেদন কেনে পৰ্য্যায়ত আছে সেই বিষয়ে অৱগত কৰাৰ অতি প্ৰয়োজন যাতে তেওঁলোকে কোনো উৎকন্ঠাত ভূগিব লগীয়া নহয় । ক্ষীপ্ৰতা আৰু দক্ষতা  পাছপৰ্ট সেৱাৰ মুলমন্ত্ৰ হোৱা উচিত বুলি মন্ত্ৰী গৰাকীয়ে মন্তব্য কৰে ।

৭.  মন্ত্ৰী গৰাকীয়ে নাগৰিক সকলক সৰ্ব্বোত্তম সেৱা আগবঢ়োৱা পাছপৰ্ট কাৰ্য্যলয় লৈ আৰু সেৱা আগবঢ়োৱা সকল লৈ পাছপৰ্ট সেৱা বঁটা প্ৰদান কৰে । পাছপৰ্ট প্ৰস্তুতিকৰন প্ৰক্ৰিয়াত যিহেতু পুলিছ ভেৰিফিকেশ্বন এক জটীল প্ৰক্ৰিয়া সেয়ে দিল্লী

,হাৰিয়ানা ,অন্ধ্ৰ প্ৰদেশ আৰু টেলেংগানাৰ পুলিছ বিভাগে ক্ষীপ্ৰতাৰে কাৰ্য্য সমাপ্ত কৰাৰ তেওঁলোকৰ অশেষ প্ৰচেষ্টাৰ প্ৰতি স্বৃকিতি প্ৰদান কৰিবলৈ এই ৰাজ্যসমূহৰ পুলিছ বিভাগলৈও বঁটা আগবঢ়োৱা হয় ।

৮. সমগ্ৰ পাছপৰ্ট সেৱাৰ সম্পৰ্কে বিদেশ সচিব সুজাতা সিঙে এক গাঠনিক ছবি স্পষ্ট কৰে আৰু পাছপৰ্ট সেৱা আঁচনিত অৰ্ন্তভূক্ত কৰা মুখ্য বিন্দু সমূহ হল:

. সমগ্ৰ দেশত ৭৭ টা পাছপৰ্ট সেৱা কেন্দ্ৰৰ (পিএচকেএচ) নেটৱৰ্ক বৃদ্ধিয়ে ৩৭ টা পাছপৰ্ট কাৰ্য্যলয়ৰ সম্প্ৰসাৰিত শাখা হিচাপে কাম কৰিব ।

. দীৰ্ঘ সময়ৰ কাৰ্য্যকালে নাগৰিক সকলক লাভবান কৰিব ।

. ১৭ টা ভাষাত ২৪*৭ নেশ্বনেল ক'ল চেন্টাৰৰ সহযোগিতা ।

. আবেদন পত্ৰৰ প্ৰস্তুতিকৰনৰ সমগ্ৰ প্ৰক্ৰিয়া ডিজিটাইজেশ্বন কৰা হেতু আবেদন কাৰী পিএচকেত ব্যয় কৰা সময় হ্ৰাস হৈ অহাৰ উপৰিও বহুবাৰ পিএচক লৈ যোৱাৰ পৰা ৰেহাই পাব ।

. বায়োমেট্ৰিক তথ্য আৰু ফটোগ্ৰাফ এক অতি উষ্চস্তৰৰ সুৰক্ষিত স্থানত গ্ৰহন কৰা হয় ।

. আবেদন কৰীৰ সন্মুখতে চূড়ান্ত সিদ্ধান্ত গ্ৰহন কৰা প্ৰক্ৰিয়াই অধিক স্বচ্ছতাৰ দিশত আগুৱাই নিয়াত সহায় কৰিছে ।

.   নাগৰিক সকলে পিএচকে ত্যাগ কৰাৰ পূৰ্বে তেওঁলোকৰ আবেদন পত্ৰ কেনে স্তৰত আছে সেই সম্বন্ধে নিশ্চিত হয় ।

.   অনলাইনত আচল সময়ৰ তথ্য জনাৰ সুবিধাৰ বাবে নিৰীক্ষন কৰা আৰু সিদ্ধান্ত গ্ৰহনৰ বাবে সহজ হয় ।

৯.   নতুন প্ৰনালী অনুসৰি ১.৭ কোটীত কৈ অধিক পাছপৰ্ট সেৱা ইতিমধ্যে আগবঢ়োৱা হৈছে । ২৩ জুন ২০১৪ তাৰিখৰ পৰা ২৫ জুন ২০১৪ তাৰিখলৈ অনুষ্ঠিত সন্মিলন খনে পাছপৰ্ট প্ৰদান কৰা সমগ্ৰ  বিষয়টোৰ ক্ষেত্ৰত অগ্ৰগতি লাভ কৰা সম্পৰ্কে পূৰ্ব্বাভাষ দিছে আৰু বিশ্বাসযোগ্যতা,ক্ষীপ্ৰতা,সুৰক্ষা আৰু স্বচ্ছতা সম্পৰ্কে গুৰুত্ব আৰোপ কৰিছে । সন্মিলন খন  পাছপৰ্ট প্ৰদান কৰা কৰ্তৃপক্ষ সমুহৰ দক্ষতা আৰু আশানুৰূপ ফলাফল বৃদ্ধি লক্ষ্যৰে প্ৰণোদিত কৰা অনুষ্ঠান হিচাপে সামৰনি পৰে ।